# প্ৰথম বিশ্বযুদ্ধ

## ইতিহাস

**পাঠভিত্তিক অনুশীলনীৰ প্ৰশ্ন আৰু উত্তৰ**

**প্ৰশ্ন ১। অতি চমু উত্তৰ দিয়া :**

(ক) ত্ৰিপাক্ষিক চুক্তিৰ সদস্য ৰাষ্ট্ৰৰ নাম লিখা।

**উত্তৰ :-** ত্ৰিপাক্ষিক চুক্তিৰ সদস্য ৰাষ্ট্ৰৰসমূহ হৈছে–অস্ট্ৰিয়া, জাৰ্মানী আৰু ইটালী।

(খ) ত্ৰিপল আৰ্টাটৰ সদস্য ৰাষ্ট্ৰৰ নাম লিখা।

**উত্তৰ :-** ত্ৰিপল আৰ্টাটৰ সদস্য ৰাষ্ট্ৰৰ নাম হৈছে ফ্ৰান্স, ইংলেণ্ড আৰু ৰাচিয়া।

(গ) প্ৰথম বিশ্বযুদ্ধৰ তত্ক্ষণিক কাৰণ কি আছিল ?

**উত্তৰ :-** ১৯১৪ চনৰ ১৮ জুনৰ দিনা অষ্ট্ৰিয়া হাংগেৰি সিংহাসনৰ উত্তৰাধিকাৰী যুৱৰাজ ফ্ৰেঞ্চিছ্ ফাৰ্ডিনান্দে বছনিয়াৰ ৰাজধানী ছেৰাজাভো ভ্ৰমণ কৰিবলৈ যায় আৰু ছাৰবিয়ান আততায়ীৰদ্বাৰা নিহত হয়। এই ঘটনাৰ সূত্ৰলৈয়ে ১৯১৪ চনৰ ২৮ জুলাইত এক ভয়ংকৰ যুদ্ধৰ সূচনা হয়। এই যুদ্ধই ক্ৰমে বিশ্বযুদ্ধৰ ৰূপ

(ঘ) ছেৰাজাভোত অষ্ট্ৰিয়াৰ যুৱৰাজ ফ্ৰেন্‌ছিচ ফাৰ্দিনান্দক কোনে হত্যা কৰিছিল ?

**উত্তৰ :-** ছেৰাজাভোেত অষ্ট্ৰিয়াৰ যুৱৰাজ ফ্ৰেন্‌ছিচ ফাৰ্দিনান্দক গাভৰাইলো প্ৰিঞ্চেপ নামে বিদ্ৰোহী চাৰবিয়ান যুৱক এজনে নিচেই ওচৰৰ ৰা গুলিয়াই হত্যা কৰে।

(ঙ) ১৮৭০-১৯১৪ৰ কালছোৱাত জাৰ্মানীৰ প্ৰতিৰক্ষা শিতানৰ খৰচৰ শতাংশ হিচাপ কিমান আছিল ?

**উত্তৰ :-** ১৮৭০-১৯১৪ৰ কালছোৱাত জাৰ্মানীৰ প্ৰতিৰক্ষা শিতানত খৰচৰ পৰিমাণ ৩৩৫ শতাংশ আছিল।

(চ) ১৮৭০-১৯১৪ ৰ কালছোৱাত ব্ৰিটেইনৰ প্ৰতিৰক্ষা শিতানৰ খৰছৰ শতাংশ হিচাপ কিমান আছিল ?

**উত্তৰ :-** ১৮৭০-১৯১৪ৰ কালছোৱাত ব্ৰিটেইনৰ প্ৰতিৰক্ষা শিতানত খবছৰ পৰিমাণ ১৮০ শতাংশ আছিল।

(ছ) ১৮৭০-১৯১৪ৰ কালছোৱাত ৰাছিয়াৰ প্ৰতিৰক্ষা শিতান খৰছৰ শতাংশ হিচাপ কিমান আছিল ?

**উত্তৰ :-** ১৮৭০-১৯১৪ৰ কালছোৱাত ৰাচিয়াৰ প্ৰতিৰক্ষা শিতানত খৰছৰ পৰিমাণ আছিল ২১৪ শতাংশ।

(জ) ১৮৭০-১৯১৪ৰ কালছোৱাত ইটালীৰ প্ৰতিৰক্ষা শিতানৰ খৰছৰ শতাংশ হিচাপ কিমান আছিল ?

**উত্তৰ :-**১৮৭০-১৯১৪ৰ কালছোৱাত ইটালীৰ প্ৰতিৰক্ষা শিতানৰ খৰছৰ পৰিমাণ আছিল ১৮৫ শতাংশ।

(ঝ) কেন্দ্ৰীয় শক্তি জোঁটৰ সদস্য ৰাষ্ট্ৰসমূহ কোন কোন আছিল ?

উত্তৰ:- কেন্দ্ৰীয় শক্তি জোঁটৰ সদস্য ৰাষ্ট্ৰসমূহ আছিল–অষ্ট্ৰিয়া, জাৰ্মানী আৰু হাংগেৰী।

(ঞ) জাৰ্মানীয়ে লুইচিটানিয়াৰ ওপৰত আক্ৰমণ কৰাৰ ফলত কিমান মানুহৰ প্ৰাণ হানি হৈছিল ?

**উত্তৰ :-** জাৰ্মানীয়ে লুইচিটানিয়াৰ ওপৰত আক্ৰমণ কৰাৰ ফলত ১১৮ জন মাৰ্কিন নাগৰিকসহ ১২০০ জন মানুহৰ প্ৰাণহানি হৈছিল।

(ট) গেলিপলিৰ নৌ-যুদ্ধত কোন কোন দেশ পৰাভূত হৈছিল ?

**উত্তৰ :-** গেলিপলিৰ নৌ-যুদ্ধত ইংলেণ্ড আৰু ফ্ৰান্স দেশ পৰাভূত হৈছিল।

(ঠ) প্ৰথম বিশ্বযুদ্ধৰ কালছোৱাত কোন দেশে পোনতে টেংক ব্যৱহাৰ কৰিছিল ?

**উত্তৰ :-** প্ৰথম বিশ্বযুদ্ধৰ কালছোৱাত ইংলেণ্ড দেশে পোনতে টেংক ব্যৱহা কৰিছিল।

(ড) প্ৰথম বিশ্বযুদ্ধত কিমান সৈনিক মৃত্যুমুখত পৰিছিল ?

**উত্তৰ :-** প্ৰথম বিশ্বযুদ্ধত ১৩ নিযুত সৈনিক মৃত্যুমুখত পৰিছিল।

(ঢ) ভাৰ্চাই শান্তি আলোচনাত কিমান জন প্ৰতিনিধি সমবেত হৈছিল।

**উত্তৰ :-** ভাৰ্চাই শান্তি আলোচনাত বিশ্বৰ ৩২খন ৰাষ্ট্ৰৰপৰা মুঠতে ৭০ জ প্ৰতিনিধি সমবেত হৈছিল।

(ন) ১৪-দফীয়া পৰামৰ্শাৱলীৰ ৰচক কোন আছিল ?

উত্তৰ:- ১৪-দফীয়া পৰামৰ্শাৱলীৰ ৰচক আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট উদ্ৰ. উইলছন।

(ত) ভাৰ্চাই শান্তি চুক্তিত কিমানটা চৰ্ত আছিল ?

উত্তৰ:- ভাৰ্চাই শান্তি চুক্তিত সৰ্বমুঠ ৪৪০টা চৰ্ত আছিল।

(থ) ভাৰ্চাই শান্তি আলোচনাত কোনে ইংলেণ্ডক প্ৰতিনিধিত্ব কৰিছিল।

**উত্তৰ :-** ভাৰ্চাই শান্তি আলোচনাত ইংলেণ্ডক প্ৰতিনিধিত্ব কৰিছিল প্ৰধানমন্ত্ৰ লয়ড জৰ্জ-এ।

(দ) ভাৰ্চাই শান্তি আলোচনাত কোনে ইটালীক প্ৰতিনিধিত্ব কৰিছিল।

উত্তৰ:- ভাৰ্চাই শান্তি আলোচনাত ইটালীক প্ৰতিনিধিত্ব কৰিছিল প্ৰধানমন্ত্ৰ অবলাস্তোৰে।

(ধ) ভাৰ্চাই শান্তি আলোচনাত ফ্ৰান্সক কোনে প্ৰতিনিধিত্ব কৰিছিল।

**উত্তৰ :-** ভাৰ্চাই শান্তি আলোচনাত ফ্ৰান্সক প্ৰতিনিধিত্ব কৰিছিল প্ৰধানমন্ত্ৰ ক্লিমেলোৰে৷

(ন) ভাৰ্চাই শান্তি আলোচনাত আমেৰিকা যুক্তৰাষ্ট্ৰক কোনে প্ৰতিনিধিত্ব কৰিছিল ?

**উত্তৰ :-** ভাৰ্চাই শান্তি আলোচনাত আমেৰিকা যুক্তৰাষ্ট্ৰক প্ৰতিনিধিত্ব কৰিছিল সেই দেশৰ প্ৰেছিডেণ্ট উদ্ৰ উইলছনে।

(প) জাৰ্মানীৰ ওপৰত নিৰ্ধাৰণ কৰা যুদ্ধৰ ক্ষতিপূৰণৰ পৰিমাণ কিমান আছিল ?

**উত্তৰ :-** জাৰ্মানীৰ ওপৰত নিৰ্ধাৰণ কৰা যুদ্ধৰ ক্ষতিপূৰণৰ পৰিমাণ আছিল ৬,৬০০ মিলিয়ন পাউণ্ড স্টাৰ্লিং।

(ফ) ভাৰ্চাই শান্তি চুক্তিৰ মাধ্যমত ইটালীয়ে কি লাভ কৰিছিল ?

**উত্তৰ :-** ভাৰ্চাই শান্তি চুক্তিৰ মাধ্যমত ইটালীয়ে অষ্ট্ৰিয়াৰপৰা টাইৰোল লাভ কৰিছিল।

(ব) ভাৰ্চাই শান্তি চুক্তিৰ মাধ্যমত পোলেণ্ডে কি লাভ কৰিছিল ?

**উত্তৰ :-** ভাৰ্চাই শান্তি চুক্তিৰ মাধ্যমত পোলেণ্ডে জাৰ্মানীৰপৰা পোজেন আৰু পশ্চিম প্ৰুচিয়া লাভ কৰিছিল আৰু অস্ট্ৰিয়াৰপৰা 'গেলিছিয়া লাভ কৰিছিল।

**প্ৰশ্ন ২। তলত দিয়া ঘটনাসমূহৰ চন-তাৰিখ উল্লেখ কৰা :**

(ক) ক্ৰিমিয়াৰ যুদ্ধ

(খ) অষ্ট্ৰো-প্ৰুচিয়াৰ যুদ্ধ।

(গ) ফ্ৰেংকো-প্ৰুচিয়াৰ যুদ্ধ

( ঘ) ৰুচ-তুৰস্কৰ যুদ্ধ।

(ঙ) ফৰাচী যুদ্ধ।

(চ) অষ্ট্ৰো-প্ৰুচিয়াৰ দ্বিপাক্ষিক চুক্তি।

(ছ) ইংগ-ফৰাছী মৈত্ৰী যুক্তি।

(জ) গ্ৰীচৰ স্বাধীনতা প্ৰাপ্তি।

(ঝ) বাৰ্লিন কংগ্ৰেছ।

(ঞ) ইংগ-জাপান চুক্তি।

(ট) ছেৰাজাভোৰ ঘটনা।

(ঠ) ব্ৰেষ্ট লিটোভষ্ক চুক্তি।

**উত্তৰ :-** তলত উপৰোক্ত ঘটনাসমূহৰ চন-তাৰিখ উল্লেখ কৰা হ'ল—

| **ঘটনা** | **চন-তাৰিখ** |
|---|---|
| (ক) ক্রিমিয়াৰ যুদ্ধ | ১৮৫৪-৫৬ চন |
| (খ) অষ্ট্রো-প্রুচিয়াৰ যুদ্ধ | ১৮৬৬ চন |
| (গ) ফ্রেংকো-প্রুচিয়াৰ যুদ্ধ | ১৮৭০-৭১ চন |
| (ঘ) ৰুচ-তুৰস্কৰ যুদ্ধ | ১৮৭৭-৭৮ চন |
| (ঙ) ফৰাচী বিপ্লৱ | ১৮৫৯ চন |
| (চ) অষ্ট্রো-প্রুচিয়াৰ দ্বিপাক্ষিক চুক্তি | ১৮৭৯ চন |
| (ছ) ইংগ-ফৰাছী মৈত্ৰী চুক্তি | ১৯০৪ চন |
| (জ) গ্ৰীচৰ স্বাধীনতা প্ৰাপ্তি | ১৮২৯ চন |
| (ঝ) বাৰ্লিন কংগ্ৰেছ | ১৮৭৮ চন |
| (ঞ) ইংগ-জাপান চুক্তি | ১৯০২ চন |
| (ট) ছেৰাজাভোৰ ঘটনা | ১৯১৪ চনৰ ২৮ জানুৱাৰী |
| (ঠ) ব্ৰেষ্ট লিটোভষ্ক চুক্তি | ১৯১৮ চনৰ ৩ মাৰ্চ। |

**প্ৰশ্ন ৩। চমু উত্তৰ দিয়া**

**(ক) বলকান উপমহাদেশৰ দেশসমূহৰ নাম লিখা।**

**উত্তৰ :-** বলকান উপমহাদেশৰ দেশসমূহ হৈছে বুলগেৰিয়া, থ্ৰেছ, মেচিডনিয়া, গ্ৰীচ, মণ্টেনেগ্ৰো, ছাৰবিয়া, বছনিয়া, হাৰ্জেগভিনা, আলবানিয়া আদি।

**(খ) ভাৰ্চাই শান্তি চুক্তিৰ চাৰিটা চৰ্তৰ বিষয়ে উল্লেখ কৰা।**

**উত্তৰ :-** ভাৰ্চাই শান্তি চুক্তিৰ চাৰিটা চৰ্ত হ'ল—

(ক) ৰাজ্যক্ষেত্ৰ সম্পৰ্কীয় চৰ্ত।

(খ) ঔপনিৱেশিক ৰাজ্যক্ষেত্ৰ সম্পৰ্কীয় চৰ্ত।

(গ) সামৰিক চৰ্ত আৰু

(ঘ) আইন সংগত আৰু বিত্তীয় তথা অৰ্থনৈতিক চৰ্ত।

**(ঙ) ১৯১৪ চনৰ যুদ্ধ পৰিস্থিতি।**

**উত্তৰ :-** ১৯১৪ চনৰ যুদ্ধৰ বাবে কেন্দ্ৰীয় শক্তি জোঁট আৰু মিত্ৰ শক্তি জোঁট দুয়োটাই সাজু হৈ উঠিছিল। অস্ত্ৰ শস্ত্ৰৰ ক্ষেত্ৰত কেন্দ্ৰীয় শক্তি জোঁটতকৈ মিত্ৰ শক্তি জোঁট বেছি পৰাক্ৰমী আছিল। ১৯১৪ চনৰ ৩ আগষ্টত জাৰ্মানীয়ে বেলজিয়াম অধিকাৰ কৰি ফ্ৰান্সৰ পিনে অগ্ৰসৰ হয়। বাটত তেওঁলোকে ব্ৰিটিছ সেনাবাহিনীক পৰাভূত কৰি থৈ যায়। জাৰ্মানসকলৰ মুঠ সাতটা সেনাবাহিনীয়ে ফ্ৰান্স আক্ৰমণত অংশগ্ৰহণ কৰে। মাৰ্ণ নদীৰ পাৰত ফৰাচী সৈন্য আৰু জাৰ্মান সৈন্যৰ মাজত প্ৰথম বিশ্বযুদ্ধৰ আটইতকৈ ভয়াবহ আৰু বক্তাক্ত যুদ্ধখন সংঘটিত হয়। এই যুদ্ধখন চাৰি বছৰ ধৰি চলিছিল আৰু ইয়াত কোনেও কাৰো বিৰুদ্ধে সফলতা অৰ্জন কৰিব পৰা নাছিল।

পশ্চিম সীমান্তত দেখা পোৱা যুদ্ধৰ এই চিত্ৰখনৰ বিপৰীতে পূৰ্ব সীমান্তত কেন্দ্ৰীয় শক্তি জোঁটৰ জাৰ্মান আৰু অষ্ট্ৰিয়ান সেনাবাহিনীয়ে টেনেনবাৰ্গৰ যুদ্ধত বাচিয়ান সেনাবাহিনীক পৰাভূত কৰে ১৯১৪ চনৰ ২৯ আগষ্ট তাৰিখে। ইয়াৰ পিছতে মাঞ্চুৰিয়ান হ্ৰদৰ ওচৰত পুনৰ জাৰ্মান বাহিনীয়ে বচ বাহিনীক পৰাভূত কৰি যুদ্ধৰ গতি নিজৰ নিয়ন্ত্ৰণলৈ আনে। পূৰ্ব প্ৰুচিয়াৰপৰা ৰুচ সেনাবাহিনী সম্পূৰ্ণৰূপে বিতাৰিত কৰা হয়। কিন্তু ইয়াৰ পৰৱৰ্তীকালৰ যুদ্ধত ৰুচসকলে কিছু সাফল্য লাভ কৰিবলৈ সক্ষম হয়। জাৰ্মানসকলৰ পৰা ৱাৰ্শ্বক ৰক্ষা কৰাব উপৰিও ৰচসকলে অষ্ট্ৰিয়াৰ আক্ৰমণপৰা ছাববিয়াক ৰক্ষা কৰে। ইফালে অক্টোবৰৰ ২০ তাৰিখে (১৯১৪) তুই কেন্দ্ৰীয় শক্তি জোঁটৰ সমৰ্থনত বচসকলৰ ওপৰত আক্ৰমণ আৰম্ভ কৰে। আনফালে ইংলেণ্ডে আফ্ৰিকাত আৰু এছিয়াৰ মেছ'পটেমিয়া আৰু পেলেষ্টাইনত কেন্দ্ৰীয় শক্তি জোঁটক পৰাভূত কৰিবলৈ সক্ষম হয়।

**(ঘ) ১৯১৮ চনৰ যুদ্ধ পৰিস্থিতি।**

**উত্তৰ :-** ১৯১৮ চনৰ মাৰ্চ মাহত মিত্ৰ শক্তি জোঁটে ফৰাচী দেশৰ বিপক্ষে আৰু ব্ৰিটিছ সেনাবাহিনীয়ে কেন্দ্ৰীয় শক্তি জোঁটৰ বিৰুদ্ধে সমৰ অভিযান আৰম্ভ কৰে।

১৯১৭ চনৰ শেষৰ ফালে জাৰ্মানসকলে মিত্ৰ শক্তিৰ বিৰুদ্ধে যুদ্ধ জয়ৰ আশা পৰিত্যাগ কৰিছিল যদিও জাৰ্মান সেনাধ্যক্ষ লডেনডৰ্ফে শেষ বাৰৰ বাবে ১৯১৮ চনৰ মাৰ্চ মাহত ব্ৰিটিছ আৰু ফৰাচী মিলিত সেনাবাহিনীৰ ওপৰত তীব্ৰ আক্ৰমণ চলায়। কিন্তু জাৰ্মানসকলে যুদ্ধত পৰাভূত হয়।

ইউৰোপৰ আটাইকেইখন যুদ্ধক্ষেত্ৰত মিত্ৰপক্ষৰ বিজয় সূচীত হ'বলৈ ধৰে। ১৯১৮ চনৰ ২৯ ছেপ্তেম্বৰত বুলগেৰিয়াই আত্মসমৰ্পণ কৰে। ৩০ ছেপ্তেম্বৰত তুৰস্কই আত্মসমৰ্পণ কৰে আৰু ৩ নৱেম্বৰত আষ্ট্ৰিয়া – হাংগেৰীয়ে আত্মসমৰ্পণ কৰে। ৩ অক্টোবৰত জাৰ্মান সেনাধ্যক্ষ লডেনডৰ্ফে চৰকাৰক যুদ্ধ বিৰতি ঘোষণা কৰিবলৈ পৰামৰ্শ দিয়ে। ৯ নৱেম্ববত জাৰ্মান সম্ৰাট দ্বিতীয় উইলিয়ামে যুৱৰাজসহ হলেণ্ডলৈ পলায়ন কৰে, আৰু ইয়াৰ লগে লগে জাৰ্মানীত প্ৰজাতান্ত্ৰিক চৰকাৰৰ প্ৰচলন হয়। এই নতুন জাৰ্মান প্ৰজাতান্ত্ৰিক চৰকাৰখনে ১৯১৮ চনৰ নৱেম্বৰ মাহৰ ১১ তাৰিখে দিনৰ ১১টা বজাৰপৰা কাৰ্যকৰী হোৱাকৈ যুদ্ধ বিৰতি চুক্তি স্বাক্ষৰ কৰে। এইদৰে প্ৰথম বিশ্বযুদ্ধৰ সামৰণি পেলোৱা হয়।

## (ঙ) ভাৰ্চাই শান্তি চুক্তিৰ সামৰিক চৰ্তাৱলী উল্লেখ কৰা।

**উত্তৰ :-** ভাৰ্চাই শান্তি চুক্তিৰ সামৰিক চৰ্তাৱলী উল্লেখ কৰা হ'ল এই চুক্তিয়ে জাৰ্মানীব নিৰস্ত্ৰীকৰণত বিশেষ প্ৰাধান্য দিছিল। জাৰ্মানীত বাধ্যতামূলকভাৱে সামৰিক সেৱাত লোক নিযুক্ত কৰাৰ নীতি বাতিল কৰা হৈছিল। জাৰ্মানীৰ সাধাৰণ সেনাবাহিনীৰ সংখ্যা ১,০০,০০০ সীমিত কৰা হৈছিল। নৌ-বাহিনীৰ ক্ষমতাও সীমিত কৰি পেলোৱা হৈছিল। নৌবাহিনীত মাত্ৰ ১৫,০০০ আৰু যুদ্ধ জাহাজৰ সংখ্যা ৬ খনলৈ হ্ৰাস কৰা হৈছিল। লগতে ক্ৰুইজাৰ ৬ খনলৈ আৰু ডেষ্ট্ৰয়াৰ ১২ খনলৈ হ্ৰাস কৰা হৈছিল। জাৰ্মানীয়ে ছাবমেৰিণ বখাটো নিষিদ্ধ কৰা হৈছিল। জাৰ্মানীয়ে ৰাইন উপত্যকাৰ উপৰিও হেলিগোলেণ্ডত থকা সামৰিক কোঠ বিধস্ত কৰি পেলাব লাগিছিল।

# ৰচনাধৰ্মী প্ৰশ্ন আৰু উত্তৰ

## প্ৰশ্ন ১। প্ৰথম বিশ্বযুদ্ধৰ চাৰিটা প্ৰধান কাৰণ সম্পৰ্কে আলোচনা কৰা।

**উত্তৰ :-** প্ৰথম বিশ্বযুদ্ধৰ চাৰিটা প্ৰধান কাৰণ হৈছে—

(ক) সাম্ৰাজ্যবাদী দেশসমূহৰ মাজৰ প্ৰতিদ্বন্দ্বিতা।

(খ) ইউপোৰত ৰাজনৈতিক ঘটনাৱালী ।

(গ) সামৰিক চুক্তি সম্পাদন।

(ঘ) ইউৰোপ মহাদেশৰ সামৰিকসংঘৰ্ষ।

ইউৰোপত প্ৰথম ঔপনিৱেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ উৎপত্তি হৈছিল। এই সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত সৃষ্টি হোৱা তীব্ৰ প্ৰতিদ্বন্দ্বিতা আৰু অৰিয়াঅঁৰিৰ ফলতেই প্ৰথম বিশ্বযুদ্ধৰ সৃষ্টি হৈছিল।

সাম্ৰাজ্যবাদী দেশসমূহৰ অগ্ৰাসী মনোভাৱ তথা পৰৰাজ্য গ্ৰাসৰ প্ৰৱণতা, পৰস্পৰৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা আৰু একাধিক বিবাদমান দেশত সামবিক শক্তি বৃদ্ধি আৰু সেই দিশত গঢ়ি উঠা সামৰিক প্ৰতিদ্বন্দ্বিতা, একাধিক সমধৰ্মী ৰাষ্ট্ৰৰ মাজত গঢ়ি উঠা গোপন ৰাজনৈতিক সামৰিক চুক্তি আৰু সেই প্ৰক্ৰিয়াই বাষ্ট্ৰসমূহৰ মাজত সৃষ্টি কৰা সন্দেহ আৰু অবিশ্বাস আৰু অনিশ্চয়তা, জাতীয়তাবাদী মতাদৰ্শ আৰু অৱদমিত আৰু নিপীড়িত ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-সত্বাসমূহৰ মাজত জাতি ৰাষ্ট্ৰ গঢ়ি তোলাৰ প্ৰৱণতা, তাৰ ফলত সৃষ্টি হোৱা উগ্ৰ জাতীয়তাবাদৰ সম্প্ৰসাৰণ আদিয়েই প্ৰথম বিশ্বযুদ্ধৰ কাৰণ আছিল বুলি ক'ব পাৰি।

সেই সময়ত ইউৰোপ মহাদেশৰ ইংলেণ্ড, ফ্ৰান্স, ইটালী, জাৰ্মানী, ৰাচিয়া, বেলজিয়াম, পৰ্টুগাল আদি দেশ পৰস্পৰৰ মাজত সংঘৰ্ষ আৰু প্ৰতিদ্বন্দ্বিতাত লিপ্ত হৈ পৰিছিল। আনহাতে এচিয়া, আফ্ৰিকা, লেটিন আমেৰিকা, অষ্ট্ৰেলিয়া

আদি মহাদেশৰ বিভিন্ন দেশত নিজ নিজ উপনিৱেশ গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত আছিল। ইউৰোপৰ শক্তিসমূহৰ এই ঘটনাপ্ৰৱাহৰ লগত ক্ৰমান্বয়ে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাপানো জড়িত হৈ পৰিছিল। অৰ্থাৎ উপনিৱেশ তথা ঔপনিৱেশিক স্বাৰ্থক কেন্দ্ৰ কৰি পৃথিৱীৰ বিভিন্ন ঠাইত পুঁজিবাদী দেশসমূহৰ মাজত ঔপনিৱেশিক সংঘৰ্ষ তথা প্ৰতিদ্বন্দ্বিতা অব্যাহত আছিল। ঊনবিংশ শতিকাৰ শেষৰফালে এই প্ৰতিদ্বন্দ্বিতাই শীৰ্ষ বিন্দু পাইছিলগৈ।

প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ কেইবছৰমান আগৰেপৰাই ইউৰোপত বৃহৎ শক্তিসমূহৰ মাজত কেইবাটাও গোপন সামৰিক চুক্তি স্বাক্ষবিত হৈছিল। জাৰ্মানীৰ প্ৰধানমন্ত্ৰী বিচমাৰ্কে জাৰ্মানাক জাতি ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ প্ৰচেষ্টাত এখনৰ পিছত এখনকৈ কেইবাখনো সামৰিক চুক্তিত স্বাক্ষৰ কৰিছিল। ১৮৭৩ চনত 'ত্ৰি-সম্ৰাট মৈত্ৰী সংঘ'ৰ দ্বাৰা তেওঁ জাৰ্মানী, ৰাচিয়া আৰু অষ্ট্ৰিয়াৰ সম্ৰাটসকলক একেখন চুক্তিৰ গণ্ডীলৈ আনিছিল। ১৮৭৫ চনত জাৰ্মানীয়ে ফ্ৰান্স আক্ৰমণ কৰিব বুলি গুজব ওলোৱাত আৰু ৰাচিয়াই ফ্ৰান্সক সহায় কৰিব বুলি কোৱাত বিচমাৰ্কে ১৮৭৯ চনত আষ্ট্ৰিয়াৰ সৈতে আষ্ট্ৰো জাৰ্মান দ্বিপাক্ষিক

চুক্তি গঢ়ি তোলে। ইয়াৰ পিছত বুলগেৰিয়াক কেন্দ্ৰ কৰি অষ্ট্ৰিয়া আৰু ৰাচিয়াৰ মাজত দেখা দিয়া সংঘৰ্ষৰ সময়ত বিচমাৰ্কে ৰাচিয়াৰ পক্ষ লোৱাত অষ্ট্ৰিয়া অসন্তুষ্ট হয় আৰু ত্ৰি-সম্ৰাটৰ মৈত্ৰী সংঘ সম্পূৰ্ণৰূপে ভাঙি পৰে। বিচমাৰ্কে এইবাৰ ১৮৮৭ চনত ৰাচিয়াৰ সৈতে বি-ইঞ্চিওৰেঞ্চ চুক্তি সম্পাদন কৰি ৰুচ জাৰ্মান সম্পৰ্ক অটুট ৰখাৰ ব্যৱস্থা কৰে। ইয়াৰ পিচত সুচতুৰ বিচমাৰ্কে ইটালীৰ লগত সম্পৰ্ক স্থাপন কৰে আৰু ইটালীক আষ্ট্ৰো জাৰ্মান দ্বিপাক্ষিক চুক্তিৰ সদস্যভূক্ত হ'বলৈ আহ্বান জনায়। ১৮৮২ চনত ইটালী উক্ত চুক্তিৰ সদস্যভূক্ত হৈ পৰে।

আনফালে ঊনবিংশ শতিকাৰ শেহৰ পিনে ইউৰোপীয় ৰাজনীতিত সংঘটিত ঘটনাৱলীৰ ফলত ইংলেণ্ড আৰু জাপানৰ মাজত এখন চুক্তি স্বাক্ষৰ হয়। এই চুক্তিৰ পাছত ইংলেণ্ডে ফ্ৰান্সৰ লগত আৰু ৰাচিয়াৰ লগত ত্ৰি-পাক্ষিক চুক্তি স্বাক্ষৰ কৰে।

এইদৰে ইউৰোপ মহাদেশৰ বৃহৎ শক্তিসমূহ দুটা সামৰিক শিৰিবত বিভক্ত হৈ পৰে। এফালে থাকে জাৰ্মানীৰ নেতৃত্বত অষ্ট্ৰিয়া আৰু ইটালী আৰু আনফালে ইংলেণ্ডৰ নেতৃত্বত ফ্ৰান্স আৰু বাচিয়া।

সেই সময়ত সংঘটিত ৰাজনৈতিক ঘটনাৱলীয়েও বিশ্বযুদ্ধ সৃষ্টিৰ ক্ষেত্ৰত ইন্ধন যোগাইছিল। ১৯০৫-০৬, ১৯০৮ আৰু ১৯১১ চনত মৰক্কোেক কেন্দ্ৰ কৰি ফ্ৰান্স আৰু জাৰ্মানীৰ মাজত সামবিক সংঘৰ্ষৰ সম্ভাৱনাই দেখা দিয়ে। ১৯০৪ চনত স্বাক্ষবিত এংলো-ফ্ৰেন্স আৰু ফ্ৰেংকো-স্পেনীজ চুক্তিৰ মাধ্যমত মৰক্কোৰ বিভাজনৰ বাবে গোপন সিদ্ধান্ত কৰা হয়। এই সিদ্ধান্ত অনুসৰি জাৰ্মানীয়ে মৰক্কোক স্বাধীন দেশৰূপে স্বীকৃতি দিয়ে আৰু জাৰ্মানীৰ সম্ৰাট দ্বিতীয় উইলিয়ামে মৰক্কো সম্পৰ্কে আন্তৰ্জাতিক সন্মিলন এখন আহ্বান কৰাৰ পোষকতা কৰে। ফ্ৰান্সে ইয়াত সন্মতি জনায়। এই সন্মিলনে মৰক্কো চুলতানৰ কৰ্তৃত্ব অক্ষুন্ন ৰখাৰ লগতে মবক্কোত ফ্ৰান্স আৰু স্পেইনৰ অভিভাৱকত্ব মানি লয় ।"

মৰক্কোেক কেন্দ্ৰ কৰি ১৯১১ চনত দ্বিতীয়বাৰ সংঘৰ্ষ সৃষ্টি হোৱাৰ সম্ভাৱনাই দেখা দিয়ে। সেই বছৰ ফ্ৰান্সে আভ্যন্তৰীণ আইন-শৃংখলাৰ অৱনতি হোৱাৰ অজুহাতত মৰক্কোলৈ এটা সামৰিক বাহিনী প্ৰেৰণ কৰে। তাৰ প্ৰতিবাদত জাৰ্মানীয়ে মৰক্কোৰ সামুদ্ৰিক বন্দৰ আগাদিবলৈ নৌ জাহাজ এখন প্ৰেৰণ কৰে। ফলত ফ্ৰান্স আৰু জাৰ্মানৰ মাজত পুনৰ যুদ্ধৰ সম্ভাৱনাই দেখা দিয়ে। ব্ৰিটেইনৰ মধ্যস্থতাত এই সমস্যাৰ সমাধান হয়। ১৯১১ চনৰ ৩-৪ নৱেম্বৰ তাৰিখে জাৰ্মানী, ফ্ৰান্স আৰু ব্ৰিটেইনৰ মাজত স্বাক্ষৰিত চুক্তি মৰ্মে মৰক্কোত ফ্ৰান্সৰ অধিকাৰ স্বীকৃত হয় আৰু জাৰ্মানীয়ে ফৰাচী অধিকৃত কংগোৰ উত্তৰ-পশ্চিম এলেকাটো লাভ কৰে।

অক্কো সমস্যাৰ সমাধান নহওতেই ইটালীয়ে ১৯১১ চনৰ ছেপ্তেম্বৰ মাহত তুৰস্ক আক্ৰণ কৰি আফ্ৰিকাৰ ভূমধ্যসাগৰীয় উপকূলত ত্ৰিপ'লী দখল কৰে আৰু ভূমধ্যসাগৰত ৰোছ

সহ অন্যান্য দ্বীপ দখল কৰে। ইটালীৰ এই কাৰ্যত ত্ৰিপাক্ষিক চুক্তিৰ অংশীদাৰ আন আন ৰাষ্ট্ৰসমুহ বিস্ময় বিমূঢ় হৈ পৰে যদিও সক্ৰিয় ভূমিকা লোৱাৰ পৰা বিৰত থাকে। তুৰস্কৰ বিৰুদ্ধে সেই সময়তে আলবানিয়াতো বিদ্ৰোহ সংঘটিত হয় আৰু অনিচ্ছা স্বত্বেও অবশেষত তুৰস্কই লুছান শান্তি চুক্তিৰ মাধ্যমত ইটালীক ত্ৰিপ'লী এৰি দিবলৈ বাধ্য হয়।

১৯০৮-০৯ চনত অষ্ট্ৰিয়াই বছনিয়া আৰু হাৰ্জেগভিনা দখল কৰি নিজ ৰাজ্যভূক্ত কৰে। ১৯১২-১৩ চনত অষ্ট্ৰিয়াৰ প্ৰৰোচনাত আলবানিয়া স্বাধীন ৰাষ্ট্ৰৰূপে গঢ়ি উঠা কাৰ্যই ছাৰবিয়াৰ ৰাজনৈতিক জাতীয়তাবাদী আন্দোলনক নতুন ৰূপ প্ৰদান কৰে৷

এই সময়তে ১৯১৪ চনৰ ২৮ জুন তাৰিখে অষ্ট্ৰিয়াৰ সিংহাসনৰ উত্তৰাধিকাৰী যুৱৰাজ ফ্ৰেঞ্চিছ কাৰ্ডিনান্দক ছেৰাজাভো ভ্ৰমণলৈ যাওঁত বিদ্ৰোহী ছাববিয়ান যুৱক এজনে নিচেই ওচৰৰ পৰা গুলীয়াই হত্যা কৰে। এই ঘটনাই অষ্ট্ৰিয়া আৰু ইউৰোপৰ বিভিন্ন দেশত ভীষণ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।

অৱশেষত জাৰ্মান সম্ৰাটৰ অনুমোদন মৰ্মে অষ্ট্ৰিয়াই ছাৰবিয়াৰ ওচৰত এঘাৰটা দাবী সম্বলিত এখন চমপত্ৰ দাখিল কৰে আৰু ৪৮ ঘণ্টা সময়ৰ ভিতৰত চৰমপত্ৰৰ প্ৰতি সদৰ্থক সহাঁৰি জনাবলৈ কয়। সেই সময়তে ৰাচিয়াই ছাৰবিয়াৰ প্ৰতি সহযোগৰ আশ্বাস দিয়ে। গতিকে ছাৰবিয়াৰ প্ৰত্যুত্তৰ অষ্ট্ৰিয়াৰ মনঃপুত নহয়। ফলত ১৯১৪ চনৰ ২৮ জুলাইত অষ্ট্ৰিয়াই ছাৰবিয়াৰ প্ৰতি যুদ্ধ ঘোষণা কৰে৷ ইয়াৰ লগে লগে প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হয়। এই বিশ্বযুদ্ধত অষ্ট্ৰিয়া আৰু জাৰ্মানীক কেন্দ্ৰীয় শক্তিৰূপে আৰু বিপক্ষক মিত্ৰ শক্তিৰূপে গণ্য কৰা হয়।

**প্ৰশ্ন ২। প্ৰথম বিশ্বযুদ্ধৰ পূৰ্বে ইউৰোপীয় শক্তিবৰ্গই স্বাক্ষৰিত কৰা মুখ্য সামৰিক চুক্তিসমূহৰ বিষয়ে আলোচনা কৰা।**

**উত্তৰ :-** প্ৰথম বিশ্বযুদ্ধৰ পূৰ্বে ইউৰোপীয় শক্তিবৰ্গই কেইবাটাও গোপন সামৰিক চুক্তি স্বাক্ষৰ কৰিছিল। জাৰ্মানীক জাতি ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে বিচমাৰ্কে যি ৰাজনৈতিক প্ৰক্ৰিয়া আৰম্ভ কৰিছিল তাৰ ফলত অষ্ট্ৰিয়া আৰু ফ্ৰান্সৰ সৈতে জাৰ্মানৰ শত্ৰুতা বৃদ্ধি পাইছিল। ১৮৬৬ চনত সংঘটিত হোৱা অষ্ট্ৰো প্ৰুচিয়াৰ যুদ্ধত অষ্ট্ৰিয়াৰ পৰাজয় হৈছিল, সেইদৰে ১৮৭০ চনত সংঘটিত হোৱা ফ্ৰেংকো-প্ৰুচিয়াৰ যুদ্ধত ফ্ৰান্স পৰাজিত হৈছিল। ফলত প্ৰুচিয়া তথা জাৰ্মানীয়ে খনিজ সম্পাদৰে ভৰপূৰ ফ্ৰান্সৰ উত্তৰ সীমান্তত থকা আলছেছ আৰু লোৰেইন দখল কৰিছিল।

যুদ্ধত পৰাজিত অষ্ট্ৰিয়া আৰু ফ্ৰান্সে যে সুবিধা পালেই জাৰ্মানীৰ ওপবত প্ৰতিশোধমূলক যুদ্ধত অৱতীৰ্ণ হ'ব এই বিষয়ে ধাৰণা কৰি বিচমাৰ্কে ফ্ৰান্সক অকলশৰীয়া কৰি ৰাখিবলৈ বৈদেশিক নীতি নিৰ্ধাৰণ কৰে। এই নীতিৰ ফলতেই ১৮৭৩ চনত "ত্ৰি-সম্ৰাট মৈত্ৰী সংঘ"

সৃষ্টি কৰা হৈছিল আৰু ইয়াৰ দ্বাৰা জাৰ্মানী, ৰাচিয়া আৰু অষ্ট্ৰিয়াৰ সম্ৰাটসকলক একত্ৰিত কৰা হৈছিল।

১৮৭৫ চনত জাৰ্মানীয়ে ফ্ৰান্স আক্ৰমণ কৰিব বুলি উৰাবাতৰি ওলোৱাত আৰু ৰাচিয়াই ফ্ৰান্সক সমৰ্থন কৰি বুলি কোৱাত ইয়াৰ বিপৰীতে ১৮৭৯ চনত বিচমাৰ্কে অস্ট্ৰো-জাৰ্মান দ্বিপাক্ষিক চুক্তি স্বাক্ষৰিত কৰে। এই চুক্তি আছিল সামৰিক সহযোগিতামূলক গোপন চুক্তি। কিন্তু বুলগেৰিয়াক কেন্দ্ৰ কৰি অষ্ট্ৰিয়া আৰু ৰাচিয়াৰ মাজত সংঘটিত হোৱা সংঘৰ্ষৰ সময়ত বিচমাৰ্কে ৰাচিয়াৰ পক্ষ লোৱাত অষ্ট্ৰিয়া অসন্তুষ্ট হয় আৰু ১৮৮৭ চনত ৰাচিয়াৰ সৈতে ৰি-ইঞ্চিওৰেঞ্চ চুক্তি নামে এক নতুন চুক্তি সম্পাদন কৰি ৰুচ-জাৰ্মান সম্পৰ্ক অটুট ৰখাৰ ব্যৱস্থা কৰে। ১৮৮২ চনত অস্ট্ৰো-জাৰ্মান দ্বিপাক্ষিক চুক্তিত ইটালীয়েও সদস্যভূক্ত হৈ পৰে। লগে লগে এই চুক্তিখন অষ্ট্ৰিয়া, জাৰ্মান আৰু ইটালী ত্ৰিপাক্ষিক চুক্তিলৈ ৰূপান্তৰিত হয়। এই চুক্তি ১৯১৪ চনলৈ বৰ্তি আছিল যদিও ইটালীয়ে প্ৰথম বিশ্বযুদ্ধত সমসাময়িকভাৱে পক্ষ সলনি কৰাত এই ত্ৰিপাক্ষিক চুক্তিত ভাঙোন ধৰে।

জাৰ্মানীৰ প্ৰধানমন্ত্ৰী বিচমাৰ্কে ফ্ৰান্সক এঘৰীয়া কৰাৰ প্ৰয়োজনমৰ্মে এটাৰ পিছত এটাকৈ গোপন চুক্তি কৰাৰ পোষকতা কৰি তাক কাৰ্যকৰী কৰিছিল। কিন্তু বিচমাৰ্কৰ এই কাৰ্যই অন্যান্য দেশৰ মাজত গোপন সামৰিক চুক্তি কৰাৰ পৰিৱেশ তথা তাগিদাৰ সৃষ্টি কৰিবলৈ ধৰে।

১৮৯৪ চনত বিচমাৰ্কৰ ৰাজনৈতিক সমীকৰণত আউল লগাই ৰাচিয়া আৰু ফ্ৰান্সৰ মাজত এক চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিয়ে ইংলেণ্ডৰ ৰাজনৈতিক নেতৃবৃন্দৰ মাজত একাকীত্বৰ মনোভাৱ সৃষ্টি কৰিছিল।

১৯০২ চনত ইংলেণ্ডে জাপানৰ সৈতে এখন চুক্তি স্বাক্ষৰ কৰে। এই চুক্তিৰ লক্ষ্য আৰু উদ্দেশ্য আছিল সুদূৰ প্ৰাচ্যত সাম্ৰাজ্যবাদী দেশসমুহৰ মাজত পূৰ্বৰ স্থিতি অক্ষুন্ন ৰাখি শান্তি বজাই ৰখাৰ লগতে চীন আৰু কোৰিয়াৰ ৰাষ্ট্ৰীয় অখণ্ডতা নিৰাপদে ৰাখি সম অধিকাৰৰ ভিত্তিত বাণিজ্যিক লাভ কৰাটো।

জাপানৰ সৈতে কৰা এই দ্বিপাক্ষিক চুক্তিৰ পিছতো ইংলেণ্ডে শান্তিৰে থাকিব পৰা নাছিল। জাপানৰ ক্ৰমবৰ্ধমান আগ্ৰাসী নীতিৰ ফলত ইংলেণ্ডৰ বাবে জাতীয় নিৰাপত্তাৰ প্ৰশ্নটো অতি জটিল হৈ পৰিছিল। সেইবাবে তেওঁলোকে মহাদেশীয়, শক্তি ফ্ৰান্সৰ সৈতে বন্ধুত্বপূৰ্ণ সামৰিক সম্পৰ্ক গঢ়ি তুলিবলৈ ব্যগ্ৰ হৈ পৰিছিল। সেই উদ্দেশ্যে ১৯০৪ চনত সম্পাদিত ‘এংলো ফ্ৰেন্স আঁটাট কৰডিয়েল’ৰ যোগেদি ফ্ৰান্স আৰু ইংলেণ্ডৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপিত হৈছিল।

ফ্ৰান্স আৰু ইংলেণ্ডৰ মাজত পাৰস্পৰিক সম্পৰ্ক আৰু বুজাপৰা বৃদ্ধি পোৱাৰ লগে লগে ফ্ৰান্সে প্ৰতিবেশী ৰাষ্ট্ৰ ইংলেণ্ড আৰু ৰাচিয়াৰ মাজত সহযোগিতা আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপনৰ প্ৰতি আগ্ৰহী হৈ পৰে। ইয়াৰ ফলতেই ১৯০৭ চনত ইংলেণ্ড আৰু ৰাচিয়াৰ মাজত এক সুদূৰপ্ৰসাৰী ৰাজনৈতিক বুজাপৰা সংঘটিত হয়। এই চুক্তি মতে পাৰস্য, আফগানিস্তান আৰু তিব্বত—এই তিনিখন দেশক কেন্দ্ৰ কৰি ৰাচিয়া আৰু ইংলেণ্ডৰ মাজত চলি অহা ৰাজনৈতিক, সামাজিক বিবাদসমূহ শান্তিপূৰ্ণভাৱে সমাধান কৰা হয়। ৰাচিয়া আৰু ইংলেণ্ডৰ মাজত এই চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে ইংগ-ফৰাচী দ্বিপাক্ষিক চুক্তি ত্ৰিপাক্ষিক চুক্তিত পৰিণত হয়।

এই ঘটনাৰ লগে লগে ইউৰোপ মহাদেশৰ বৃহৎ শক্তিসমূহ দুটা ভাগত বিভক্ত হৈ পৰে। এফালে থাকে জাৰ্মানীৰ নেতৃত্বত অষ্ট্ৰিয়া আৰু ইটালী আৰু আনফালে ইংলেণ্ডৰ নেতৃত্বত ফ্ৰান্স আৰু ৰাচিয়া। ইউৰোপৰ সম্ৰাজ্যবাদী শক্তিসমুহৰ মাজত গঢ়ি উঠা এই গোপন সামৰিক চুক্তিসমূহে প্ৰথম বিশ্বযুদ্ধ সংঘটিত কৰাত প্ৰভূত অৰিহণা যোগাইছিল।

**প্ৰশ্ন ৩।প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ আগত ইউৰোপীয় শক্তিবৰ্গক দুটা প্ৰধান প্ৰতিদ্বন্দ্বী সামৰিক গোটত বিভাজিত কৰা পৰিস্থিতি সম্পৰ্কে আলোচনা কৰা।**

**উত্তৰ :-** প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ আগত ইউৰোপীয় শক্তিবৰ্গক দুটা প্ৰধান প্ৰতিদ্বন্দ্বী সামৰিক গোটত বিভাজন কৰা হৈছিল। এটা গোটত আছিল জাৰ্মানীৰ নেতৃত্বত অষ্ট্ৰিয়া আৰু ইটালী আৰু আনটো গোটত আছিল ইংলেণ্ডৰ নেতৃত্বত ফ্ৰান্স আৰু ৰাচিয়া।

উপনিৱেশ তথা ঔপনিৱেশিক স্বাৰ্থক কেন্দ্ৰ কৰি পৃথিৱীৰ বিভিন্ন ঠাইত পুঁজিবাদী দেশসমূহৰ মাজত প্ৰায় আৰম্ভণিৰেপৰাই ঔপনিৱেশিক সংঘৰ্ষ আৰু প্ৰতিদ্বন্দ্বিতা অপ্ৰতিহত ৰূপত চলি আছিল। ঊনবিংশ শতিকাৰ শেষৰপৰা এই প্ৰতিদ্বন্দ্বিতাই শীৰ্ষ বিন্দু পাইছিলগৈ।

প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ ভালেমান বছৰৰ পূৰ্বৰেপৰাই ইউৰোপত বৃহৎ শক্তিসমূহৰ মাজত কেইবাটাও চুক্তি স্বাক্ষৰিত হৈছিল। জাৰ্মানীক জাতি ৰাষ্ট্ৰৰূপে গঢ়ি তুলিবলৈ বিচমাৰ্কে যি ৰাজনৈতিক প্ৰক্ৰিয়া আৰম্ভ কৰিছিল তাৰ পৰিণতিস্বৰূপে অষ্ট্ৰিয়া আৰু ফ্ৰান্সৰ সৈতে জাৰ্মানীৰ শত্ৰুতা বৃদ্ধি পাইছিল। ১৮৬৬ চনত সংঘটিত হোৱা অষ্ট্ৰো প্ৰুচিয়াৰ যুদ্ধত অষ্ট্ৰিয়াৰ পৰাজয় হৈছিল। সেইদৰে ১৮৭০ চনত ফ্ৰেংকো-প্ৰুচিয়াৰ যুদ্ধতো ফ্ৰান্সে পৰাজয় বৰণ কৰিছিল। এই যুদ্ধত ফ্ৰান্সৰ সম্ৰাট তৃতীয় নেপোলিয়ন প্ৰুচিয়াৰ হাতত বন্দী হৈছিল। যুদ্ধৰ পৰিণতি হিচাপে প্ৰুচিয়া তথা জাৰ্মানীয়ে খনিজ সম্পদেৰে ভৰপূৰ ফ্ৰান্সৰ উত্তৰ সীমান্তত অৱস্থিত আলছেছ আৰু লোৰেইন দখল কৰিছিল।

জাৰ্মানীৰ হাতত পৰাজিত ফ্ৰান্সে সুবিধা পালেই যে জাৰ্মানীৰ ওপৰত প্ৰতিশোধমূলক যুদ্ধত অৱতীৰ্ণ হ'ব সেই বিষয়ে জাৰ্মানীৰ প্ৰধানমন্ত্ৰী বিচমাৰ্কৰ কোনো সন্দেহ নাছিল। সেইবাবে এনেধৰণৰ প্ৰতিশোধমূলক যুদ্ধক এৰাই চলিবলৈ বিচমাৰ্কে ৰাজনৈতিকভাৱে ফ্ৰান্সক ইউৰোপত এঘৰীয়া কৰিবলৈ যত্পৰোনাস্তি চেষ্টা চলাইছিল। ইয়াৰ ফলতেই ১৮৭৩ চনত "ত্ৰি-সম্ৰাট মৈত্ৰী সংঘ"ব সৃষ্টি কৰা হৈছিল। ইয়াৰ দ্বাৰা জাৰ্মানী, বাচিয়া আৰু অষ্ট্ৰিয়াৰ সম্ৰাটসকলক একেখন চুক্তিৰ অধীনলৈ অনা হৈছিল।

১৮৭৫ চনত জাৰ্মানীয়ে ফ্ৰান্স আক্ৰমণ কৰিব বুলি গুজব ওলোৱাত আৰু •বাচিয়াই ফ্ৰান্সক সমৰ্থন কৰিব বুলি কোৱাত সেই "ত্ৰি-সম্ৰাট মৈত্ৰী সংঘ" সাময়িকভাৱে নিষ্ক্ৰিয় হৈ পৰে। এই পৰিস্থিতিত বিচমাৰ্কে অষ্ট্ৰিয়াৰ লগত ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিবলৈ চেষ্টা কৰি ১৮৭৯ চনত 'অস্ট্ৰো-জাৰ্মান দ্বিপাক্ষিক চুক্তি" স্বাক্ষৰ কৰে। কিন্তু বুলগেৰিয়াক কেন্দ্ৰ কৰি অষ্ট্ৰিয়া আৰু ৰাচিয়াৰ মাজত দেখা দিয়া সংঘৰ্ষৰ সময়ত বিচমাৰ্কে বাচিয়াৰ পক্ষ লোৱাত অষ্ট্ৰিয়া অসন্তুষ্ট হয় আৰু ত্ৰি সম্ৰাটৰ মৈত্ৰী সংঘ সম্পূৰ্ণৰূপে ভাঙি পৰে। এইবাৰ বিচমাৰ্কে ১৮৮৭ চনত ৰাচিয়াৰ লগত ৰি-ইঞ্চিওৰেঞ্চ চুক্তি সম্পাদন কৰি ৰচ-জাৰ্মান সম্পৰ্ক অটুট ৰখাৰ ব্যৱস্থা কৰে।

বিচমাৰ্কে ফ্ৰান্সক এঘৰীয়া কৰিবলৈ এটাৰ পিছত এটাকৈ গোপন চুক্তি কৰাৰ যি পোষকতা কৰিছিল আৰু তাক কাৰ্যকৰী কৰিছিল তাৰ বিপৰীতে অন্যান্য দেশৰ মাজতো গোপন সামৰিক চুক্তি কৰাৰ পৰিৱেশ তথা তাগিদাৰ সৃষ্টি হৈছিল।

ঊনবিংশ শতিকাৰ শেহৰ পিনে ইউৰোপীয় ৰাজনীতিত সংঘটিত ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত ইংলেণ্ডে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। বিচমাৰ্কৰ নেতৃত্বত জাৰ্মানীয়ে ইউৰোপত যিদৰে নিজৰ আধিপত্য স্থাপন কৰিছিল সেয়া ইংলেণ্ডৰ দৰে দেশখনৰ বাবে অতি ঈৰ্ষাৰ বিষয়ৰূপে পৰিগণিত হৈছিল।

১৮৯৪ চনত বাচিয়া আৰু ফ্ৰান্সৰ মাজত স্বাক্ষৰিত হোৱা চুক্তিয়ে ভৱিষ্যতে ইংলেণ্ডৰ বাবে বিপদৰ সৃষ্টি কৰিব পাৰে বুলি সন্দেহৰ সৃষ্টি কৰি ইংলেণ্ডে ইউৰোপীয় ৰাজনীতিত আত্মপ্ৰকাশ কৰে। ১৯০২ চনত ইংলেণ্ডে জাপানৰ সৈতে এখন চুক্তি স্বাক্ষৰ কৰে। এই চুক্তিমতে সুদূৰ প্ৰাচ্যত সাম্ৰাজ্যবাদী দেশসমূহৰ মাজত যথাস্থিতি অক্ষুন্ন ৰাখি শান্তি বজাই ৰখাৰ লগতে চীন আৰু কোৰিয়াৰ ৰাষ্ট্ৰীয় অখণ্ডতা নিৰাপদে ৰাখি সম-অধিকাৰৰ ভিত্তিত বাণিজ্যিক সুবিধা লাভ কৰাটো, কিন্তু জাপানৰ সৈতে কৰা এই চুক্তিৰ পিছতো ইংলেণ্ডে শান্তিৰে থাকিব পৰা নাছিল। জাৰ্মানীৰ ক্ৰমবৰ্ধমান আগ্ৰাসী নীতিৰ পৰিপ্ৰেক্ষিতত ইংলেণ্ডে যেন এতিয়াও সম্পূৰ্ণৰূপে নিজৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিবপৰা নাই তেনে এটা ধাৰণা মনতে পোষণ কৰিছিল। সেয়েহে তেওঁলোকে ফ্ৰান্সৰ সৈতে বন্ধুত্বপূৰ্ণ সামৰিক সম্পৰ্ক স্থাপন কৰিবলৈ "এংলো-ফ্ৰেন্স আঁটাট কৰডিয়েল" সম্পাদিত কৰে।

ফ্ৰান্স আৰু ইংলেণ্ডৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আৰু বুজাপৰা বাঢ়ি অহাৰ লগে লগে ফ্ৰাহে প্ৰতিবেশী ৰাষ্ট্ৰ ইংলেণ্ড আৰু ৰাচিয়াৰ মাজত সহযোগিতা আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপনৰ প্ৰতি আগ্ৰহী হৈ পৰে। ইয়াৰ ফলত ১৯০৭ চনত ইংলেণ্ড আৰু ৰাচিয়াৰ মাজত এক সুদূৰপ্ৰসাৰী ৰাজনৈতিক বুজাপৰা সংঘটিত হয়। ইয়াৰ লগে লগে ইংগ-ফৰাচী দ্বিপাক্ষিক চুক্তি ত্ৰিপাক্ষিক চুক্তিত পৰিণত হয়।

এই ঘটনাৰ লগে লগে ইউৰোপ মহাদেশৰ বৃহৎ শক্তিসমূহ দুটা প্ৰতিসজ সামৰিক শিৱিৰত বিভক্ত হৈ পৰে। এই সামৰিক চুক্তিসমূহে প্ৰথম বিশ্বযুদ্ধ সংঘটিত কৰাত প্ৰভূত অৰিহণা যোগায়। এই গোপন সামৰিক চুক্তিসমূহে বিবাদমান ৰাজনৈতিক-ঔপনিৱেশিক-সাম্ৰাজ্যিক সমস্যাসমূহ শান্তিপূৰ্ণভাৱে সমাধান কৰাৰ সকলো সম্ভাৱনা নোহোৱা কৰে। এই চুক্তিসমূহৰ ফলত বিবাদম পক্ষ দুটাৰ মাজত পাৰস্পৰিক সন্দেহ, বিশ্বাসহীনতা আৰু সামৰিক শক্তিৰ ওপৰত নিৰ্ভৰশীলতা অধিক পৰিমাণে বৃদ্ধি হয়। অৱশেষত ইয়ে প্ৰথম বিশ্বযুদ্ধৰ এটা কাৰণৰূপে দেখা দিয়ে।

**প্ৰশ্ন ৪। ১৯০২-১৪ চনৰ কালছোৱাত ইউৰোপ আৰু আফ্ৰিকাত সংঘটিত সামৰিক সংঘৰ্ষ বিষয়ে চমুকৈ আলোচনা কৰা।**

**উত্তৰ :-** প্ৰথম বিশ্বযুদ্ধৰ কেইবছৰমান আগয়ে ইউৰোপ মহাদেশৰ বৃহৎ শক্তিসমূহ দুটা প্ৰতিসম সামৰিক শিৱিৰত বিভক্ত হৈ পৰে। ১৯০৫-০৬, ১৯০৮ আৰু ১৯১১ চনত মৰক্কোক কেন্দ্ৰ কৰি ফ্ৰান্স আৰু জাৰ্মানীৰ মাজত সামৰিক সংঘৰ্ষৰ সম্ভাৱনাই দেখা দিয়ে। মক্কোক কেন্দ্ৰ কৰি ১৯১১ চনত দ্বিতীয়বাৰ সংঘৰ্ষ সৃষ্টি হোৱাৰ সম্ভাৱনাই দেখা দিয়ে। সেই বছৰতে আভ্যন্তৰীণ আইন শৃংখলাৰ অৱনতি হোৱাৰ অজুহাতত ফ্ৰান্সে মৰক্কোলৈ এটি সামৰিক বাহিনী প্ৰেৰণ কৰে। তাৰ প্ৰতিবাদত জাৰ্মানীয়ে আটলান্টিক মহাসাগৰৰ উপকূলত থকা মৰক্কোৰ সামুদ্ৰিক বন্দৰ আগাদিৰলৈ পেস্থাৰ নামৰ নৌ-জাহাজখন প্ৰেৰণ কৰে।

ফলত ফ্ৰান্স আৰু জাৰ্মানীৰ মাজত আটে বৃদ্ধৰ সম্ভাৱনাই দেখা দিয়ে৷ মৰক্কো সমস্যাৰ সমাধান নহওঁতে ইটালায়ে ১৯১১ চনৰ ছেপ্তেম্বৰ মাহত তুৰস্ক আক্ৰমণ কৰি আফ্ৰিকাৰ ভূমধ্য সাগৰীয় উপকূলত ত্ৰিপ'লী দখল কৰে। ইটালীয়ে অকল ত্ৰিপ'লী দখলতে ক্ষান্ত নাথাকি সেই সময়তে ওৰ্দানলিছ প্ৰণালীব প্ৰবেশ পথত বোমা নিক্ষেপ কবি ভূমধ্যসাগৰত ৰোড্‌ছ আৰু অন্যান্য দ্বীপ দখল কবে। তুবস্কৰ বিৰুদ্ধে একে সময়তে আলবানিয়াতো বিদ্ৰোহ সংঘটিত হৈছিল। গতিকে অনিচ্ছা স্বত্বেও তুৰস্কই লুছান শান্তি চুক্তিৰ মাধ্যমত ইটালীক ত্ৰিপ'লী এৰি দিয়ে।

এই আন্দোলন তীব্ৰ হোৱাৰ সময়তে ১৯১৪ চনৰ ২৮ জুন তাৰিখে অষ্ট্ৰিয়াৰ সিংহাসনৰ উত্তৰাধিকাৰী যুৱৰাজ ফ্ৰেঞ্চিছ ফাৰ্ডিনান্দে বছনিয়াৰ ৰাজধানী ছেৰাজাভো ভ্ৰমণ কৰিবলৈ

যায়। তাত তেওঁক বিদ্ৰোহী ছাৰবিয়ান যুৱক এজনে নিচেই কাষৰপৰা গুলীয়াই হত্যা কৰে। এই ঘটনাই অষ্ট্ৰিয়াৰ লগতে ইউৰোপৰ বিভিন্ন দেশৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। অৱশেষত অষ্ট্ৰিয়াই ছাৰবিয়! বিপক্ষে সামৰিক সংঘৰ্ষৰ পথ বাচি লয়। ১৯১৪ চনৰ ২৮ জুলাইৰ দিনা অষ্ট্ৰিয়াই ছাৰবিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি ৰাজধানী চহৰ বেলগ্ৰেডত বোমা বৰ্ষণ কৰে। ইয়াৰ লগে লগে বিশ্বৰ প্ৰথমখন মহাসমৰ আৰম্ভ হয়। ১৯১৪ চনৰ ৩ আগষ্টত জাৰ্মানীয়ে বেলজিয়ামত সোমাই অনায়াসে সেই দেশ দখল কৰি ফ্ৰান্সৰ পিনে আগুৱাই যায়। বেলজিয়ামৰ পৰা ফ্ৰান্স অভিমুখে যাত্ৰা কৰোঁতে জাৰ্মান সেনাবাহিনীয়ে বাটত ব্ৰিটিছ সেনাবাহিনীক পৰাভূত কৰি ফ্ৰান্সত প্ৰৱেশ কৰে। মাৰ্ণ নদীৰ পাৰত অৱস্থান কৰি ফৰাচী সেনাবাহিনী আৰু জাৰ্মান সেনাবাহিনীৰ মাজত প্ৰথম বিশ্বযুদ্ধৰ আটাইতকৈ ভয়াবহ আৰু বক্তাক্ত যুদ্ধখন সংঘটিত হয়। এই যুদ্ধখন দীৰ্ঘ দিন ধৰি চলিছিল আৰু যুদ্ধত কোনেও কাৰো পৰাজয় কৰিবপৰা নাছিল।

আনহাতে কেন্দ্ৰীয় শক্তি জোঁটৰ জাৰ্মান আৰু আষ্ট্ৰিয়ান সেনাবাহিনীয়ে টেনেনবাৰ্গৰ যুদ্ধত ৰাচিয়ান সেনাবাহিনীক বিষমভাৱে পৰাভূত কৰে ১৯১৪ চনৰ ২৯ আগষ্টত। ইয়াৰ পিছতে মাছুৰিয়ান হ্ৰদৰ ওচৰত ৰচ বাহিনীক জাৰ্মান সেনাবাহিনীয়ে পৰাভূত কৰি যুদ্ধৰ অগ্ৰগতি নিজ নিয়ন্ত্ৰণত ৰাখে। ইফালে অক্টোবৰ মাহৰ ২০ তাৰিখে তুৰস্কই কেন্দ্ৰীয় শক্তি জোঁটৰ সমৰ্থনত ৰুচসকলৰ ওপৰত আক্ৰমণ কৰে।

**প্ৰশ্ন ৫। ১৯১৭-১৮ চনত বিশ্বযুদ্ধ পৰিস্থিতি সম্পৰ্কে আলোচনা কৰা।**

**উত্তৰ :-** ১৯১৭-১৮ চনত বিশ্বযুদ্ধ পৰিস্থিতি সম্পৰ্কে আলোচনা কৰা ১৯১৭ চনৰ যুদ্ধৰ গতিধাৰা তথা পৰিস্থিতিত দুটা বিশেষ ধৰণৰ ঘটনাই প্ৰভাৱ বিস্তাৰ কৰে। প্ৰথমটো আছিল ৬ এপ্ৰিল তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰদ্বাৰা জাৰ্মানী আৰু ডিচেম্বৰ মাহত অষ্ট্ৰিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাটো। প্ৰথম বিশ্বযুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰৰ পক্ষভূক্তিয়ে মিত্ৰ শক্তি জোঁটব বিজয় সুনিশ্চিত কৰি তোলে। যুক্তৰাষ্ট্ৰৰ অন্তভুক্তিৰ লগে লগে চীন, ব্ৰাজিল, ক ষ্টাবিকা, নিকাৰাগুৱা, সাইবেবিয়া, গুৱাটোমলা, হেইটী, হন্দুবাচ আদি বিশ্বৰ বিভিন্ন দেশে আমেৰিকা যুক্তৰাষ্ট্ৰক অনুসৰণ কৰি মিত্ৰপক্ষৰ সমৰ্থনত যুদ্ধত লিপ্ত হৈ পৰে। ফলত কেন্দ্ৰীয় শক্তি জোঁটৰ পৰাজয় সন্নিকট হৈ পৰে।

যুদ্ধৰ চতুৰ্থ বছৰত সংঘটিত দ্বিতীয়টো উল্লেখযোগ্য ঘটনা হ'ল ৰচ দেশৰ অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱ। এই বিপ্লৱৰ ফলস্বৰূপে ১৯১৮ চনৰ ১৬ জুলাই তাৰিখে ৰুচ জাৰ দ্বিতীয় নিকোলাই আৰু তেওঁৰ পৰিয়ালৰ লোকসকলক বিপ্লৱীসকলে হত্যা কৰে।

সি যিকি নহওক, ৰুচ দেশত অক্টোবৰ বিপ্লৱ সাফল্যমণ্ডিত হোৱাৰ পিছত গঠিত হোৱা নতুন বিপ্লৱী চৰকাৰে কেন্দ্ৰীয় শক্তি জোঁটৰ নেতা তথা অংশীদাৰ জাৰ্মানীৰ সৈতে ১৯১৮ চনৰ ৩ মাৰ্চত চুক্তি কৰি যুদ্ধৰ পৰা আঁতৰি আহে। কচ দেশ যুদ্ধৰপৰা আঁতৰি অহাৰ

পিছত পূৰ্ব প্ৰান্তৰ ৰণক্ষেত্ৰত জাৰ্মানসকল নিষ্কণ্টক হয় যদিও পশ্চিম প্ৰান্তৰ ৰণাংগনত মাৰ্কিন সৈন্যৰ উপস্থিতিয়ে জাৰ্মানসকলৰ অৱস্থা অতি কাহিল কৰি আনে। ব্ৰিটেইনে জাৰ্মানৰ সামুদ্ৰিক দ্বন্দ্বৰত কৰা অৱৰোধ কাৰ্যৰ ফলত দেশৰ অৰ্থনৈতিক অৱস্থা জটিল হৈ পৰে। ফলত ১৯১৭ চনৰ জুলাই মাহত জাৰ্মান সংসদে মিত্ৰ পক্ষৰ সৈতে শান্তি স্থাপনৰ বাবে চৰকাৰক পৰামৰ্শ দিয়ে। সেই সময়তে ব্ৰিটিছে পুনৰ জাৰ্মানক আক্ৰমণ কৰে। কিন্তু তেওঁলোকে কিছু পৰিমাণেহে সফলতা লাভ কৰিবলৈ সক্ষম হয়।

ইফালে কেন্দ্ৰীয় শক্তি জোঁটে ইটালী আক্ৰমণ কৰি তাত যথেষ্ট অগ্ৰগতি লাভ কৰে। ইটালীয়ে নিজ ৰাজ্যৰ ৬ হাজাৰ বৰ্গ মাইল এলেকাৰ উপৰিও প্ৰায় ৩,২০,০০০ ইটালীয়ান সৈনিক হেৰুৱাবলগীয়া হয়। ইটালীত মিত্ৰ শক্তিৰ এই বিপৰ্যয়ৰ বিপৰীতে পূব প্ৰান্তৰৰ ৰণাংগনত ব্ৰিটেইনে তুৰস্কৰ বিৰুদ্ধে জয় লাভ কৰি বাগদাদ আৰু জেৰুজালেম দখল কৰিবলৈ সক্ষম হয়।

১৯১৭ চনৰ নৱেম্বৰ মাহত মিত্ৰ পক্ষই যুদ্ধক্ষেত্ৰত সফলতা লাভ কৰিবলৈ বুলি এক সৰ্বোচ্চ যুদ্ধ পৰিষদ গঠন কৰে আৰু ফৰাচী আৰু কেন্দ্ৰীয় শক্তি জোঁটৰ বিৰুদ্ধে সমৰ অভিযানত ভাগ লয়।

ইতিমধ্যে ১৯১৭ চনৰ শেষৰ ফালে জাৰ্মানসকলেও মিত্ৰ শক্তি জোঁটৰ বিপক্ষে যুদ্ধ জয়ৰ আশা পৰিত্যাগ কৰে। কিন্তু তথাপিও জাৰ্মান সেনাধ্যক্ষ লডেনডৰ্ফে শেষৰ বাৰৰ বাবে এবাৰ যুদ্ধ কৰাৰ অভিপ্ৰায়েৰে ১৯১৮ চনৰ মাৰ্চ মাহত ব্ৰিটিছ্ আৰু ফৰাচী মিলিত সেনাবাহিনীৰ ওপৰত তীব্ৰ আক্ৰমণ চলায়। অৱশেষত পৰাজয় বৰণ কৰে। এই ঘটনাই জাৰ্মানসকলৰ মনোবল সম্পূৰ্ণৰূপে ভাঙি পেলায়।

ইউৰোপৰ আটাইকেইখন ৰণাংগনতে মিত্ৰ পক্ষৰ বিজয় সূচিত হ'বলৈ ধৰে। ২৯ (১৯১৮) ছেপ্তেম্বৰত বুলগেৰিয়াই আত্মসমৰ্পণ কৰে। ৩০ ছেপ্তেম্বৰত তুৰস্কই আত্মসৰ্পণ কৰে আৰু ৩ নৱেম্বৰত অষ্ট্ৰিয়া – হাংগেৰীয়ে আত্মসমৰ্পণ কৰে।৩ অক্টোবৰত জাৰ্মান সেনাধ্যক্ষ লডেনডৰ্ফে চৰকাৰক যুদ্ধ বিৰতি ঘোষণা কৰিবলৈ পৰামৰ্শ দিয়ে । ৯ নৱেম্বৰত জাৰ্মান সম্ৰাট দ্বিতীয় উইলিয়ামে যুৱৰাজসহ হলেগুলৈ পলায়ন কৰে আৰু জাৰ্মানত এখন প্ৰজাতান্ত্ৰিক চৰকাৰ ক্ষমতালৈ আহে। এই নতুন জাৰ্মান চৰকাৰখনে ১৯১৮ চনৰ নৱেম্বৰ মাহৰ ১১ তাৰিখে দিনৰ ১১ ৰজাৰপৰা কাৰ্যকৰী হোৱাকৈ যুদ্ধ বিৰতি চুক্তি স্বাক্ষৰ কৰে। এই দৰে প্ৰথম বিশ্বযুদ্ধৰ সামৰণি পৰে।

**প্ৰশ্ন ৬।প্ৰথম বিশ্বযুদ্ধৰ পৰিণতি সম্পৰ্কে আলোচনা কৰা।**

**উত্তৰ :-** প্ৰথম বিশ্বযুদ্ধৰ পৰণতিস্বৰূপে বিশ্বশান্তি প্ৰতিষ্ঠাৰ হকে ১৯২০ চনত জাতি সংঘ প্ৰতিষ্ঠা কৰা হৈছিল। যুদ্ধত বিধ্বস্ত হোৱা ৰাষ্ট্ৰৰপৰা নতুন নতুন, থাক্টৰ সৃষ্টি হৈছিল। যুদ্ধৰ

পৰিণতিস্বৰূপে পোলেণ্ডে স্বাধীনতা লাভ কৰিছিল আৰু যুগোশ্লোভিয়া আৰু ছেকোশ্লোভিয়া নামে দুখন দেশৰ সৃষ্টি হৈছিল। বিশ্বযুদ্ধৰ ফলস্বৰূপে বিশ্বত বৃহৎ দেশসমূহৰ মাজত শক্তিৰ ভাৰসাম্যৰ পৰিৱৰ্তন ঘটিছিল। প্ৰথম বিশ্বযুদ্ধই আমেৰিকা মহাদেশক খাদ্য যোগান ধৰা দেশৰপৰা পুঁজিৰ

যোগান ধৰা দেশলৈকে পৰিৱৰ্তন কৰিছিল। যুদ্ধৰ ফলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত ইংলেণ্ডৰ এক তীব্ৰ প্ৰতিদ্বন্দ্বীত পৰিণত হৈছিল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ ইউৰোপ মহাদেশৰ অভ্যন্তৰত থকা দেশসমূহৰ ত্ৰাণকৰ্তা হ'বলগীয়া হৈছিল। যুদ্ধৰ পিছৰেপৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিপত্তি বৃদ্ধি পাইছিল আৰু ইয়ে ইউৰোপৰ দেশসমূহৰ ৰাজনৈতিক শূন্যতা পূৰণ কৰিছিল৷ প্ৰথম বিশ্বযুদ্ধৰ পৰিণতিস্বৰূপে জাৰ্মানী, ৰাছিয়া আৰু চীনৰ বিপৰীতে জাপান দেশ মহা পৰাক্ৰমী হৈ পৰিছিল।

প্ৰথম বিশ্বযুদ্ধই জাৰ শাসিত ৰুছ দেশত সমাজতান্ত্ৰিক বিপ্লৱ সংঘটিত হোৱাত সহায় কৰিছিল আৰু এক নতুন ধৰণৰ গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠা কৰাত সহায় কৰিছিল। যুদ্ধৰ প্ৰত্যক্ষ ফলস্বৰূপে অষ্ট্ৰিয়া, হাংগেৰী, জাৰ্মানী, ক্ৰুৰস্ক আদি দেশত আৰু নতুনকৈ সৃষ্টি হোৱা দেশবিলাকত প্ৰজাতান্ত্ৰিক চৰকাৰ গঢ়ি তোলাত ইন যোগাইছিল। যুদ্ধৰ পাছতেই ইটালী, জাৰ্মানী, স্পেইন আদি দেশত ফেছিজিমব অভ্যুদয় হৈছিল আৰু ইয়ে দ্বিতীয়বাৰৰ বাবে বিশ্বত মহাৰণৰ সূত্ৰপাত কৰিছিল।

প্ৰথম বিশ্বযুদ্ধই সাম্ৰাজ্যবাদী ৰাষ্ট্ৰৰদ্বাৰা পদানত আৰু নিপীড়িত ৰাষ্ট্ৰসমূহত জাতীয়তাবাদী আন্দোলন বিকাশ হোৱাত সহায় কৰিছিল। সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহৰ শক্তি যে প্ৰকৃততে তেওঁলোকে দেখুওৱাতকৈ কম আছিল সেই কথা বিশ্বযুদ্ধৰ ফলাফলে প্ৰতীয়মান কৰে। ব্ৰিটিছ সাম্ৰাজ্যবাদী ৰাষ্ট্ৰৰদ্বাৰা পদানত ভাৰতবৰ্ষত বিশ্বযুদ্ধৰ পাছৰেপৰা তীব্ৰ জাতীয়তাবাদী স্বাধীনতা আন্দোলনে গা কৰি উঠিছিল।

প্ৰথম বিশ্বযুদ্ধত অধিক ক্ষতিগ্ৰস্ত দেশ হৈছে ফ্ৰান্স, জাৰ্মানী আদি। যুদ্ধৰ পৰিণতিস্বৰূপে ১৯১৯ চনত ৰচ দেশে জাৰ্মানীৰ সৈতে শান্তি চুক্তি স্বাক্ষৰ কৰিছিল। যুদ্ধৰ পৰিণতিস্বৰূপে নাৰীসকলৰ মাজত সামাজিক তথা ৰাজনৈতিক গুৰুত্ব বৃদ্ধি পাইছিল আৰু প্ৰজাতান্ত্ৰিক দেশসমূহত নাৰীৰ ভোটাধিকাৰ স্বীকৃত হৈছিল।

**প্ৰশ্ন ৭। "প্ৰথম বিশ্বযুদ্ধত কেন্দ্ৰীয় শক্তি জোঁটৰ পৰাজয়ে ইউৰোপত ভালেমান জাতি-ৰাষ্ট্ৰৰ অভ্যুদয়ত ইন্ধন যোগাইছিল।"——আলোচনা কৰা।**

**উত্তৰ :-** প্ৰথম বিশ্বযুদ্ধত কেন্দ্ৰীয় শক্তি জোঁট বিষমৰূপে পৰাজিত হয়। বিশেষকৈ বিচমাৰ্কে আটোমটোকাৰীকৈ গঢ়ি তোলা জাৰ্মানী সম্পূৰ্ণৰূপে ধ্বংসপ্ৰাপ্ত হৈ পৰে। ১৮৭১ চনৰপৰা ১৮৯০ চনলৈ প্ৰায় বিশ বছৰ কাল বিচমাৰ্ক জাতি ৰাষ্ট্ৰৰূপে গঢ়ি উঠা জাৰ্মানীৰ

প্ৰধানমন্ত্ৰী আছিল। তেওঁৰ প্ৰধানমন্ত্ৰীত্বৰ কালছোৱাত ১৮৮৮ চনৰ মাৰ্চ মাহত জাৰ্মানীৰ সম্ৰাট প্ৰথম উইলিয়ামৰ মৃত্যু হয় আৰু দ্বিতীয় উইলিয়ামে সিংহাসনত আৰোহণ কৰে। এই সম্ৰাটজনে দেশৰ বৈদেশিক নীতিৰ আমূল পৰিৱৰ্তন ঘটাই বিশ্বৰ ৰাজনীতিত জাৰ্মানৰ প্ৰভূত্ব স্থাপনৰ প্ৰচেষ্টা চলায়। ইয়ে জাৰ্মান দেশখন সম্পূৰ্ণৰূপে ধূলিৰ লগত মিহলি কৰি দিয়ে।প্ৰথম বিশ্বযুদ্ধই তৎক্ষণিকভাবে ইউৰোপৰ চাৰিখন সাম্ৰাজ্যৰ পতন ঘটাইছিল।

সেই চাৰিখন সাম্ৰাজ্য হ'ল—ৰাচিয়া, তুৰস্ক বা অট'মেন সাম্ৰাজ্য, জাৰ্মানী আৰু অষ্ট্ৰিয়া-হাংগেৰী। এই পতিত সাম্ৰাজ্যকেইখনৰ পৰা নতুন নতুন জাতি ৰাষ্ট্ৰৰ সৃষ্টি হৈছিল। যুদ্ধৰ শেষৰ ফালে ৰূচ দেশত সংঘটিত হোৱা সমাজতান্ত্ৰিক বিপ্লৱৰ পৰিণতিস্বৰূপে পোলেণ্ডে স্বাধীনতা লাভ কৰিছিল। ইয়াৰ লগে লগে ৰুচ দেশৰ অধীনত থকা এষ্টোনিয়া, লাটভিয়া, লিথুৱানিয়া আদি বাল্টিক সাগৰীয় দেশসমূহেও স্বাধীনতা লাভ কৰিছিল।

বলকান উপমহাদেশত শ্লাভ জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া বিপ্লৱৰ পৰিণতিস্বৰূপে যুগোশ্লাভিয়া আৰু ছেকোশ্লাভাকিয়া নামে দুখন নতুন দেশৰ সৃষ্টি হৈছিল।

জাৰ্মানী আৰু অষ্ট্ৰিয়া-হাংগেৰীৰ পতনে মিত্ৰ শক্তি জোঁটৰ অন্তৰ্ভূক্ত দেশসমূহত সাম্ৰাজ্যবাদী মতাদৰ্শ তথা ধ্যান-ধাৰণাক নতুন প্ৰেৰণা যোগান ধৰিছিল। উক্ত পৰিঘটনাবোৰৰ বাবে প্ৰথম বিশ্বযুদ্ধত কেন্দ্ৰীয় শক্তি জোঁটৰ পৰাজয়ে, ইউপোৰত ভালেমান জাতি ৰাষ্ট্ৰৰ উৎপত্তি হোৱাত অৰিহণা যোগাইছিল বুলি ক'ব পৰি।